# অসমীয়া সাহিত্য সোপান

## প্ৰথম ভাগ

(প্ৰথম শ্ৰেণীৰ বাবে)



গ্ৰহিলচ্

# অসমীয়া সাহিত্য সোপান

## প্ৰথম ভাগ

(প্ৰথম শ্ৰেণীৰ বাবে)

প্ৰণেতা

গ্ৰুহিলচ্ পাব্লিশ্বিং লিখক সমিতি

গ্ৰুহিলচ্ পাব্লিশ্বিং

কমলপুৰ, বৰপেটা (অসম)

**ASOMIYA SHAHITYA SHOPAN- A TEXT BOOK OF ASSAMESE (MIL) FOR CLASS-I** composed by Growhills Publishing Writers Board, edited by Growhills Publishing Editorial Board and Published by GrowhillsPublishing.

*All rights reserved. No part of this publication may be reproduced, stored in a retrieval system or transmitted in any form or by any means: electronic, mechanical, photocopying recording or otherwise.*

This book is especially designed to meet the long-felt demand of private educational institutes of North-east India. The materials have been compiled and edited from various sources. The publisher is not aware of any copyright violations in any form which has been incurred while preparing this book. We are ready to appreciate and take immediate action to rectify and overcome such thing which has occurred unintentionally or unknowingly in any form towards anyone incase it is brought to our notice.

**First Publication: July, 2016**

**Price : Rs ................ /**
(Please buy the book in printed price only)

**Published by**
**GROWHILS PUBLISHING**
**KAMALPUR, BARPETA (ASSAM)**

# পাঠ্যপুথি প্ৰণয়ন আঁচনিৰ আগকথা

সাম্প্ৰতিক কালত আমাৰ দেশত জনসংখ্যা বৃদ্ধিৰ অনুপাতত চৰকাৰী পৃষ্ঠপোষকতাত পৰিচালিত শিক্ষানুষ্ঠানৰ সংখ্যা বৃদ্ধি পোৱা নাই। সেয়ে আমাৰ দেশত, বিশেষকৈ আমাৰ অসমত, ব্যক্তিগত উদ্যমত বহুতো বেচৰকাৰী শিক্ষানুষ্ঠান গঢ়ি উঠিছে। কিন্তু চৰকাৰে ব্যক্তিগত উদ্যোগত স্থাপন হোৱা শিক্ষানুষ্ঠানসমূহৰ প্ৰতি পিঠি দি আছে। এক সমীক্ষাৰ পৰা জনা গৈছে যে বৰ্তমান ক্ৰমঃবৰ্ধিত সংখ্যক ল'ৰা-ছোৱালীৰ বাবে প্ৰয়োজন হোৱা পৰ্যাপ্ত চৰকাৰী বিদ্যালয়ৰ অভাৱত আমাৰ অসমৰ মুঠ ছাত্ৰ -ছাত্ৰীৰ ৪৫ শতাংশই ব্যক্তিগত বিদ্যালয়ত নামভৰ্তি কৰিবলৈ বাধ্য হৈছে। আনহাতে বেচৰকাৰী বিদ্যালয়সমূহে বিত্তীয় আৰু উপযুক্ত আন্তঃগাঁথনিৰ অভাৱত ভুগি থকাৰ ওপৰিও সেইবোৰে যি জলন্ত সমস্যাত ভুগি আছে সেয়া হৈছে পাঠ্যপুথিৰ অভাৱ। এয়া দুখৰ বিষয় যে ব্যক্তিগত বিদ্যালয়সমূহত চৰকাৰে কোনো পাঠ্যপুথি যোগান নধৰে। সেয়ে বেচৰকাৰী বিদ্যালয়সমূহে হয় নিজাববীয়াকৈ নাইবা অন্য ৰাজ্যৰ পৰা পাঠ্যপুথি আমদানি কৰিবলগা হৈছে। কিন্তু এনে পাঠ্যক্ৰমত সংহতি আৰু উপযুক্ত মানদণ্ডৰ অভাৱ পৰিলক্ষিত হোৱাত বেচৰকাৰী শিক্ষানুষ্ঠানসমূহে দুৰ্যোগ ভুগি আছে। এই দুৰ্যোগ দূৰ কৰাৰ উদ্দেশ্য লৈ গ্ৰুহিলচ্ পাব্লিশ্বিং (প্ৰকাশন উদ্যোগ)ৰ তৰফৰ পৰা বেচৰকাৰী শিক্ষানুষ্ঠানসমূহৰ বাবে পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশৰ বাবে এক দুঃসাহসিক অভিযান আৰম্ভ কৰা হৈছে।

আমাৰ লক্ষ্য হৈছে চৰকাৰী সহায়-সহযোগিতা আৰু পৃষ্ঠপোষকতা নোপোৱা বেচৰকাৰী বিদ্যালয়সমূহৰ বাবে এক সুসংহত, সুপৰিকল্পিত পাঠ্যপুথি প্ৰণয়ন কৰা, প্ৰকাশ কৰা আৰু সুলভ মূল্যত যোগান ধৰা।

আমাৰ আঁচনিৰ সফল ৰূপায়ন কৰাৰ বাবে বহুকেইজন অভিজ্ঞ শিক্ষক-শিক্ষয়িত্ৰী, অধ্যাপক-অধ্যাপিকাক লৈ আমি 'গ্ৰুহিলচ্ পাব্লিশ্বিং পাঠ্যপুথি গৱেষক সমিতি', 'গ্ৰুহিলচ্ পাব্লিশ্বিং লিখক সমিতি' আৰু 'গ্ৰুহিলচ্ পাব্লিশ্বিং সম্পাদনা সমিতি' নামৰ তিনিখন সমিতি গঠন কৰিছোঁ। ইয়াৰ লগতে আমি সময়ে সময়ে বিশিষ্ট শিক্ষাবিদ,গৱেষক আৰু চিন্তাবিদসকলৰ দিহা-পৰামৰ্শ গ্ৰহণ কৰি আছোঁ।

আমাৰ আঁচনিৰ পাঠ্যপুথি প্ৰণয়ন কৰোতে আমি ৰাষ্ট্ৰীয় শৈক্ষিক অনুসন্ধান আৰু প্ৰশিক্ষণ পৰিষদে যুগুতোৱা ৰূপৰেখাৰ আধাৰত প্ৰৱৰ্তন কৰা পাঠ্যপুথিসমূহক আৰ্হি হিচাপে লৈছোঁ যদিও আমি আমাৰ গৱেষক সমিতিয়ে নিজাববীয়াকৈ যুগুতোৱা আৰ্হিও অনুকৰণ কৰিছোঁ।

পাঠ্যপুথি প্ৰস্তুতকৰণৰ সময়ত ৰাজ্যৰ স্থানীয় বৈশিষ্ট্য, পৰিৱেশ, পৰম্পৰা, আৰ্থ-সামাজিক ভেটি আদিৰ প্ৰতি গুৰুত্ব দিয়া হৈছে। লগতে যুগসাপেক্ষ তথা পৰিৱৰ্তিত পৰিস্থিতিৰ কথাও মনত ৰখা হৈছে। ভাষা, শব্দ চয়ন আৰু বানানৰ ক্ষেত্ৰত আমি 'হেমচন্দ্ৰ বৰুৱাৰ 'হেমকোষ' আৰু 'চন্দ্ৰকান্ত অভিধান' অনুকৰণ কৰিছোঁ।

**অসমীয়া সাহিত্য সোপান- প্ৰথম ভাগ** কিতাপখন প্ৰথম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে প্ৰণয়ন কৰা হৈছে। অসমীয়া বৰ্ণমালাৰ লগত চিনাকী কৰি দিয়াৰ লগতে আখৰ জোঁটনি, বিশেষকৈ স্বৰচিহ্নৰ ব্যৱহাৰৰ লগত পৰিচয় কৰি দিয়াই কিতাপখন প্ৰণয়ন কৰাৰ মূল উদ্দেশ্য। শিক্ষক-শিক্ষয়িত্ৰীয়ে ছাত্ৰ-ছাত্ৰীক পঢ়া শিকোৱাৰ লগতে লিখা অৰ্থাৎ হাতৰ আখৰ শিকোৱাৰ ওপৰতো গুৰুত্ব দিব। যিসকল ছাত্ৰ-ছাত্ৰীয়ে প্ৰাক-প্ৰাথমিক শ্ৰেণীত বৰ্ণমালা আৰু স্বৰচিহ্নৰ লগত পৰিচয় হৈছে সেই সকলে কিতাপখনৰ প্ৰথম গোটটো পুনৰ আলোচনা হিচাপে পঢ়িব।

আমাৰ আঁচনিত বহুতো পণ্ডিত আৰু গণ্যমান্য সমল ব্যক্তিৰ লগতে কেইবাটাও বেচৰকাৰী সংগঠন (N. G. O.) য়ে পৃষ্ঠপোষকতা, সহযোগ আৰু উৎসাহ-উদ্দীপনা আগবঢ়াইছে। তেখেতসকললৈ আমি আমাৰ হিয়াৰ অভ্যন্তৰৰ পৰা শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনালোঁ।

**২০১৭**

**প্ৰকাশক**
**গ্ৰুহিলচ্ পাব্লিশ্বিং**

# সূচীপত্ৰ


## গোট-১

| | |
|---|---|
| প্ৰথম অধ্যায় | অসমীয়া বৰ্ণমালা / ৫ |
| দ্বিতীয় অধ্যায় | শব্দ গঠন / ৯ |
| তৃতীয় অধ্যায় | স্বৰচিহ্নৰ ব্যৱহাৰ / ১১ |
| চতুৰ্থ অধ্যায় | অনিমাই খায় অমিতা (পদ্য) /১৬ |

## গোট-২

| | |
|---|---|
| পঞ্চম অধ্যায় | বিশেষ্য পদ / ১৮ |
| ষষ্ঠ অধ্যায় | সৰ্বনাম পদ / ২০ |
| সপ্তম অধ্যায় | ক্ৰিয়া পদ / ২২ |
| অষ্টম অধ্যায় | আমাৰ গাওঁ (পদ্য) / ২৪ |

## গোট-৩

| | |
|---|---|
| নৱম অধ্যায় | বিশেষণ পদ / ২৬ |
| দশম অধ্যায় | সংযোজক অব্যয় / ২৮ |
| একাদশ অধ্যায় | ক্ৰিয়া বিশেষণ / ৩০ |
| দ্বাদশ অধ্যায় | সপ্তাহৰ দিনবোৰ (পদ্য) / ৩২ |

## গোট-৪

| | |
|---|---|
| ত্ৰয়োদশ অধ্যায় | কথোপকথন / ৩৪ |
| চতুৰ্দশ অধ্যায় | বিসৰ্গৰ ব্যৱহাৰ / ৩৬ |
| পঞ্চদশ অধ্যায় | অসম / ৩৮ |
| ষষ্ঠদশ অধ্যায় | পখিলা (পদ্য) / ৩৯ |

গোট-১

## পাঠ- ১

# অসমীয়া বৰ্ণমালা

### স্বৰবৰ্ণ (অ-ফলা)

অ আ ই ঈ

উ ঊ ঋ

এ ঐ ও ঔ

# ব্যঞ্জনবর্ণ (ক-ফলা)

| | | | | |
|---|---|---|---|---|
| ক | খ | গ | ঘ | ঙ |
| চ | ছ | জ | ঝ | ঞ |
| ট | ঠ | ড | ঢ | ণ |
| ত | থ | দ | ধ | ন |
| প | ফ | ব | ভ | ম |
| | য | ৰ | ল | ৱ |
| | শ | ষ | স | হ |
| | ক্ষ | ড় | ঢ় | য় |
| | ৎ | ং | ঃ | ঁ |

# অনুশীলনী

## ক. ভাষা সম্পৰ্কীয় ঃ

অ, আ, ক, খ ইত্যাদি একো একোটা বৰ্ণ বা আখৰ। **বৰ্ণ** বা **আখৰ** হ'ল কিছুমান চিন বা প্ৰতীক। এইবোৰে আমাৰ মুখৰ পৰা ওলোৱা ধ্বনিক প্ৰতিনিধিত্ব কৰে। এটা বা তাতোধিক বৰ্ণ লগলগাই একো একোটা অৰ্থপূৰ্ণ শব্দ গঠন কৰা হয়। অসমীয়া ভাষাত মুঠ ৫২ টা বৰ্ণ বা আখৰ আছে। এই ৫২ টা বৰ্ণক একেলগে **বৰ্ণমালা** বোলে।

উচ্চাৰণৰ প্ৰকৃতি অনুযায়ী অসমীয়া বৰ্ণমালাৰ বৰ্ণবোৰক দুই শ্ৰেণীত ভাগ কৰা হৈছে। যেনে ঃ স্বৰবৰ্ণ আৰু ব্যঞ্জনবৰ্ণ। 'অ'ৰ পৰা 'ঔ' লৈ এই এঘাৰটা বৰ্ণক স্বৰবৰ্ণ আৰু 'ক'ৰ পৰা চন্দ্ৰবিন্দু (ঁ) লৈ এই ৪১টা বৰ্ণক ব্যঞ্জনবৰ্ণ বোলে।

স্বৰবৰ্ণবোৰ উচ্চাৰণ কৰোঁতে আন কোনো বৰ্ণৰ সহায় নালাগে। আনহাতে ব্যঞ্জন বৰ্ণবোৰ উচ্চাৰণ কৰোঁতে স্বৰবৰ্ণৰ সহায় ল'ব লাগে।

## খ. বিষয়-বস্তু সম্পৰ্কীয় ঃ

**১। তলত দিয়া খালী ঘৰবোৰ পূৰণ কৰা।**

| | | | |
|---|---|---|---|
| অ | | ই | |

| | | |
|---|---|---|
| উ | | ঋ |

| | | | |
|---|---|---|---|
| এ | | ও | |

২। তলত দিয়া খালী ঘৰবোৰ পূৰণ কৰা।

| | | | | |
|---|---|---|---|---|
| ক | | গ | | ঙ |
| | ছ | | ঝ | |
| ট | | ড | | ণ |
| | থ | | ধ | |
| প | | ব | | ম |
| | য | | ল | |
| | | ষ | | হ |
| | ক্ষ | | ঢ় | |
| | | ং | | ঁ |

# পাঠ- ২

## শব্দ গঠন

| | | |
|---|---|---|
| আ + ম = আম | ক + ল = কল | ঘ + ৰ = ঘৰ |
| গ + ছ = গছ | ৰ + থ = ৰথ | ব + ল = বল |
| ধ + ল = ধল | হ + ল = হল | ফ + ল = ফল |
| ক+ল+ম = কলম | অ+স +ম = অসম | অ+ক+ন = অকন |
| ন+য়+ন = নয়ন | ম+ট+ৰ = মটৰ | ক+ল +হ = কলহ |
| প+ল +ম = পলম | ধ+ৱ +ল = ধৱল | অ +গ +ৰ = অগৰ |
| স+ম+ত+ল = সমতল | স+ম+ল+য় = সমলয় | |
| জ+ন+গ+ণ = জনগণ | আ+চ+ৰ +ণ = আচৰণ | |
| অ+জ+গ+ৰ = অজগৰ | ট+ল+ম +ল = টলমল | |

### অনুশীলনী

### ক. ভাষা সম্পৰ্কীয় ঃ

*আম, অসম, মৰম, কলম, হজৰত* আদি একো একোটা শব্দ। যেতিয়া এটা বা তাতোধিক বৰ্ণ লগলাগি এটা অৰ্থ প্ৰকাশ কৰে, তাকে **শব্দ** বোলে।

আনহাতে এটা বা ততোধিক শব্দ লগলাগি যেতিয়া এটা সম্পূৰ্ণ অৰ্থ প্ৰকাশ

কৰে তাকে **বাক্য** বোলে। যেনে ঃ *অকন বৰ সৰল।*

## খ. বিষয়-বস্তু সম্পৰ্কীয় ঃ

১। তলত দিয়া শব্দবোৰ বানান কৰি পঢ়া আৰু লিখা

| | | |
|---|---|---|
| ৰ থ = ৰথ | চ হ ৰ = চহৰ | ক ছ ৰ ৎ = কছৰৎ |
| উ ট = উট | ন গ ৰ = নগৰ | ম খ ম ল = মখমল |
| এ ক = এক | ত গ ৰ = তগৰ | স ম দ ল = সমদল |
| ম ল = মল | প ল ম = পলম | হ জ ৰ ত = হজৰত |
| ছ ল = ছল | গ ৰ ম = গৰম | খ ল খ ল = খলখল |
| ত ল = তল | ক ম ল = কমল | হ ল ধ ৰ = হলধৰ |

২। হাতৰ আখৰ লিখা।

অকন ৰমনৰ বৰ মৰমৰ

.................................................................................................

.................................................................................................

.................................................................................................

.................................................................................................

.................................................................................................

.................................................................................................

**শিক্ষকলৈ টোকাঃ** পাঠটি পঢ়াওঁতে শিক্ষকে শব্দ গঠন সম্পৰ্কে আলোচনা কৰাৰ লগতে বাক্য গঠন সম্পৰ্কে আভাস দিব।

# পাঠ- ৩

## স্বৰবৰ্ণৰ চিনবোৰ

## আ = া

| া | এই চিনটোক আ-কাৰ বোলে। আ-কাৰ আখৰৰ পিছত বহে। যেনে ঃ

কা খা গা ঘা চা ছা জা ঝা টা ঠা ডা না

আন মান ভাল পান দান পাঠ

কাট হাট ভাত চহা ৰহা মহা

## ই = ি

| ি | এই চিনটোক হ্রস্ব ই-কাৰ বোলে। হ্রস্ব ই-কাৰ আখৰৰ আগত বহে। যেনে ঃ

কি খি গি ঘি চি ছি জি ঝি হি টি ভি নি

অতি মতি ৰবি কবি কফি ৰাতি

বাতি ছাতি পাবি হাবি ছবি লবি

## ঈ = ী

| ী | এই চিনটোক দীৰ্ঘ ঈ-কাৰ বোলে। দীৰ্ঘ ঈ-কাৰ আখৰৰ পিছত বহে। যেনে ঃ

কী খী গী ঘী চী ছী ডী টী ভী মী পী নী

ধীৰ বীৰ নীৰ পীৰ কণী বাণী

গাড়ী ৰাণী পানী বীণা হাতী কাঠী

## উ = ু

ু এই চিনটোক হ্ৰস্ব উ-কাৰ বোলে। হ্ৰস্ব উ-কাৰ আখৰৰ তলত বহে। যেনে ঃ

কু খু গু ঘু চু ছু ডু দু ণু নু তু পু

মুখ দুখ সুখ ফুল তুল পুলি

কুৰি বকুল হাতুল আকুল নকুল কুকুৰ

## ঊ = ূ

ূ এই চিনটোক দীৰ্ঘ ঊ-কাৰ বোলে। দীৰ্ঘ ঊ-কাৰ আখৰৰ তলত বহে। যেনে ঃ

কূ খূ গূ ঘূ চূ ছূ জূ টূ বূ ভূ মূ নূ

ধূপ মূৰ কূপ তূলা ধূণা সূতা

পূৰা পূৰণ নূপুৰ ঘূৰণী গধূলি পদূলি

## ঋ = ৃ

ৃ এই চিনটোক ঋ-কাৰ বোলে। ঋ-কাৰ আখৰৰ তলত বহে। যেনে ঃ

কৃ খৃ গৃ ঘৃ চৃ ছৃ জৃ নৃ পৃ বৃ মৃ ণৃ

| | | | | | |
|---|---|---|---|---|---|
| তৃণ | মৃগ | গৃহ | দৃঢ় | মাতৃ | পিতৃ |
| কৃষক | পৃথক | পৃথিৱী | নৃপতি | বিকৃতি | আকৃতি |

## এ = ে

ে এই চিনটোক এ -কাৰ বোলে। এ -কাৰ আখৰৰ আগত বহে। যেনে ঃ

| | | | | | |
|---|---|---|---|---|---|
| কে | খে | গে | ঘে | চে | ছে |
| কেক | পেক | লেখ | মেল | ৰেল | বেল |
| তেল | বেলি | মেলি | এতেকে | কেতেকী | গতিকে |

## ঐ = ৈ

ৈ এই চিনটোক ঐ -কাৰ বোলে। ঐ -কাৰ আখৰৰ আগত বহে। যেনে ঃ

| | | | | | |
|---|---|---|---|---|---|
| কৈ | খৈ | গৈ | ঘৈ | চৈ | ছৈ |
| জাকৈ | খালৈ | আখৈ | নৈশ | খৈয়া | বৈয়া |
| নৈতিক | সৈনিক | দৈনিক | মৈদাম | কৰদৈ | বৰদলৈ |

## ও = ো

ো এই চিনটোক ও -কাৰ বোলে। ও -কাৰ আখৰৰ দুয়োফালে বহে। যেনে ঃ

| | | | | | |
|---|---|---|---|---|---|
| কো | খো | গো | ঘো | চো | ছো |

খোজ শোক জোন কোণ সোণ বোল মোহ

নোম সপোন দাপোণ কেৰোণ টোপোলা জোপোহা

# ঔ = ৌ

ৌ এই চিনটোক ঔ -কাৰ বোলে। ঔ -কাৰ আখৰৰ দুয়োফালে বহে। যেনে ঃ

কৌ খৌ গৌ ঘৌ চৌ ছৌ

আকৌ হলৌ নিতৌ দৌৰ ভাটৌ দিখৌ

যৌতুক কৌশিক কৌশল কৌতুক কলমৌ চৌধাৰী

## অনুশীলনী

### ক. ভাষা সম্পৰ্কীয় ঃ

*া (আ-কাৰ), ি (ই-কাৰ), ী ( দীৰ্ঘ ঈ কাৰ)* আদি একো একোটা স্বৰচিহ্ন। স্বৰবৰ্ণৰ ধ্বনি বুজাবলৈ যিবোৰ চিন ব্যৱহাৰ কৰা হয়, সেইবোৰ চিহ্নক স্বৰচিহ্ন বোলে। স্বৰচিহ্নবোৰ ব্যঞ্জনবৰ্ণৰ লগত ব্যৱহাৰ হয়।

### খ. বিষয়-বস্তু সম্পৰ্কীয় ঃ

১। 'া' চিহ্নটোক কি বোলে। ন, প, ফ, হ আৰু ব বৰ্ণৰ লগত 'া' চিন ব্যৱহাৰ কৰা।

২। 'ি' চিহ্নটোক কি বোলে। ঘ, ছ, ত, ফ, ধ আৰু প বৰ্ণৰ লগত 'ি' চিন ব্যৱহাৰ কৰা।

৩। 'ী' চিন ব্যৱহাৰ কৰি তিনিটা শব্দ লিখা।

৪। ৃ (ঋ-কাৰ) ব্যৱহাৰ কৰি তিনিটা শব্দ লিখা।

৫। 'ে' (এ-কাৰ) ব্যৱহাৰ কৰি দুটা, 'ৈ' (ঐ-কাৰ) ব্যৱহাৰ কৰি দুটা, 'ো' (ও-কাৰ) ব্যৱহাৰ কৰি তিনিটা আৰু ৌ' (ঔ-কাৰ) ব্যৱহাৰ কৰি তিনিটা শব্দ লিখা।

৪। তলত দিয়া শব্দবোৰ বানান কৰি পঢ়া আৰু লিখা।

| | | | | | |
|---|---|---|---|---|---|
| ৰণ | কাঠ | বীৰ | ভীম | খোজ | ডোল |
| কপৌ | আকৌ | তিতা | মিঠা | বুঢ়া | বুঢ়ী |
| দূত | পূৰ | কৃত | ধৃত | ছেও | নৈশ |
| চিকাৰ | জাৰণি | গৰাকী | সুহুৰি | নূপুৰ | পূৰঠ |
| গৃহীত | তৃতীয় | নেওতা | মৈলাম | গোলাপ | সৌমাৰ |
| আহিন | সোৰোপা | ৰবৈয়া | পূৰণ | হৃদয় | সোণালী |

৫। বাকচৰ ভিতৰত দিয়া বৰ্ণ ব্যৱহাৰ কৰি অৰ্থপূৰ্ণ শব্দ হোৱাকৈ খালী ঠাইবোৰ পূৰণ কৰা।

| |
|---|
| ৰ, ম, তা, ত, ঢ়ী, কৌ, ঠা, শ, ৰি, য়, ণি, প, |


| | | | |
|---|---|---|---|
| বী..... | আ..... | তি.... | মি.... |
| নৈ.... | ধৃ...... | বু.... | আ..... |
| জাৰ... | সুহু.... | হৃদ.... | গোলা.... |

# পাঠ- ৪

# অনিমাই খায় অমিতা


অনিমাই খায় অমিতা
আয়শাই আম খায়,
তাকে দেখি ইজাবেলৰ
খাবলৈ মন যায়।






আকাশত ৰঙা ঈগল
উৰি উৰি যায়
তাকে দেখি সৰু মইনাই
বৰ ভয় পায়।

উট হ'ল মৰুৰ জাহাজ
পিঠিত আছে কুঁজ,
কুঁজ দেখি ফেটী সাপে
কৰে ফোঁচ ফোঁচ।





**শিক্ষকলৈ টোকা ঃ** পদ্য উপভোগ (পঢ়ি আনন্দ লাভ) কৰাৰ বাবে সন্নিবিষ্ট কৰা হৈছে। শিক্ষকে ছাত্ৰ-ছাত্ৰীক শুদ্ধ উচ্চাৰণ আৰু সুৰ লগাই পদ্যটো আবৃত্তি কৰিবলৈ শিকাব। পদ্য শিকাওঁতে শিক্ষকে ইয়াৰ বিষয়বস্তু সম্পৰ্কে আমোদজনক আলোচনা কৰিব। ছাত্ৰ-ছাত্ৰীসকলে স্মৃতিৰ পৰা পদ্যটো আবৃত্তি কৰিব পৰাকৈ শিকাব।

প্ৰথম শ্ৰেণীৰ পৰীক্ষাত পদ্যৰ পৰা প্ৰশ্ন সোধাৰ পৰিৱৰ্তে স্মৃতিৰ পৰা আবৃত্তি কৰিবলৈ দিব।

# মূল্যায়ন-১

প্ৰথম গোট শেষ হোৱাৰ পিছত ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষণ কাৰ্যাৱলীৰ অগ্ৰগতি সম্পৰ্কে বুজ ল'বলৈ গোট পৰীক্ষা অনুষ্ঠিত কৰা উচিত। কিন্তু প্ৰতিটো গোট পৰীক্ষা অনুষ্ঠিত কৰাৰ আগতে কমেও দুবাৰ পুনৰালোচনা কৰা অতি জৰুৰী। প্ৰত্যেক শিক্ষাবৰ্ষত সাধাৰণতে চাৰিটা গোট পৰীক্ষা অনুষ্ঠিত কৰা হয়। সাধাৰণতে প্ৰতিটো গোট পৰীক্ষা প্ৰতি দুমাহৰ অন্তত অৰ্থাৎ প্ৰতি তৃতীয় মাহত অনুষ্ঠিত কৰা হয়। গোট পৰীক্ষা বিষয় শিক্ষকৰ দ্বাৰা নিজাববীয়াকৈ অথবা বিদ্যালয়ৰ অন্যান্য শ্ৰেণীৰ লগত একেলগেও অনুষ্ঠিত হ'ব পাৰে।

অসমীয়া বিষয়ৰ এক আৰ্হি প্ৰশ্ন কাকত তলত দেখুওৱা হ'লঃ

**প্ৰথম গোট পৰীক্ষা**

**প্ৰথম শ্ৰেণী**

**বিষয় ঃ অসমীয়া**

**মুঠ নম্বৰঃ ২৫** **সময়ঃ ১ ঘন্টা**


১। অসমীয়া স্বৰবৰ্ণবোৰ লিখা। ৫


২। ‘ি’ চিহ্নটোক কি বোলে। এই ‘ি’ চিন ব্যৱহাৰ কৰি তিনিটা শব্দ লিখা। ৩

৩। ‘ী’ চিনটোক কি চিন বোলে? ‘ী’ চিন ব্যৱহাৰ কৰি দুটা শব্দ লিখা। ২

৪। ৃ (ঋ-কাৰ) ব্যৱহাৰ কৰি দুটা শব্দ লিখা। ২

৫। ছবিবোৰ চাই ছবিৰ তলত নাম লিখা। ৩


.....................


..................


..................

৪। তলৰ বাকচত দিয়া আখৰ কেইটাৰ একো একোটাৰে খালী ঠাই পূৰণ কৰা। ৫

| ম, ৰ, ঠা, তা, ণি |
|---|

বী..... আ..... তি.... মি.... জাৰ....

৫। ‘অনিমাই খায় অমিতা’ পদ্যটো স্মৃতিৰ পৰা আবৃত্তি কৰা। ৫

(শিক্ষকে এজন এজনকৈ আবৃতি কৰিবলৈ দিব।)

**শিক্ষকলৈ টোকা ঃ** ওপৰত দিয়া প্ৰশ্ন কাকতখন চৰম নহয়। ইয়াক অকল এক আৰ্হি হিচাপেহে দেখুওৱা হৈছে। শিক্ষকে নিজৰ মতে প্ৰশ্নকাকত প্ৰস্তুত কৰিব।

গোট-২

# পাঠ- ৫

# বিশেষ্য পদ







ৰাম এজন ল'ৰা।
ববিতা এজনী ছোৱালী।

বৰপেটা এখন নগৰ।
কমলপুৰ এখন গাওঁৰ নাম।

সোণ এবিধ বহুমূলীয়া ধাতু।
ভাৰত আমাৰ দেশৰ নাম।





ৰামায়ণ এখন মহাকাব্য।
অমিতা এবিধ ফল।



সাধুতাই উত্তম উপায়।
ভেকুলী উভচৰ প্ৰাণী।



এইখন ছাতি।
কমল এজন খেতিয়ক।
নগেন কমলৰ ককায়েক।

# অনুশীলনী

## ক. ভাষা সম্পৰ্কীয় ঃ

যিবোৰ পদে কোনো প্ৰাণী, বস্তু, ঠাই, আদিৰ নাম বুজায় তাকে **বিশেষ্য** বোলে। সহজ ভাষাত নাম বুজোৱা শব্দই বিশেষ্য। যেনে ঃ ৰাম, সোণ, বৰপেটা, সাধুতা, গছ, গৰু ইত্যাদি।

এতিয়া পাঠটোত থকা বিশেষ্য পদবোৰ বাছি উলিয়াই এখন তালিকা প্ৰস্তুত কৰা।

## খ. বিষয়-বস্তু সম্পৰ্কীয় ঃ

১। পাঠটিৰ পৰা বিশেষ্য পদ ব্যৱহাৰ কৰি খালী ঠাইবোৰ পূৰণ কৰা।

(ক) ............. এজনী ছোৱালী।

(খ) ...................... এখন গাওঁৰ নাম।

(গ) ................. এখন ধৰ্মগ্ৰন্থ।

(ঘ) কমল এজন ................।

(ঙ) .......... এবিধ বহুমূলীয়া ধাতু।

২। তুমি ব্যৱহাৰ কৰা পাঁচটা ঘৰুৱা বস্তুৰ নাম লিখা।

৩। তলৰত বাক্যবোৰত ব্যৱহাৰ হোৱা বিশেষ্যপদবোৰ বাছি উলিওৱা।

(ক) বাঘ হাবিত থাকে।
(খ) আম এবিধ ফল।
(গ) হাতী ডাঙৰ জন্তু।
(ঘ) ৰবিবাৰ বন্ধৰ দিন।
(ঙ) দিছপুৰ অসমৰ ৰাজধানী।
(চ) গোলাপ এবিধ ফুল।

**শিক্ষকলৈ টোকা ঃ** পাঠটি পঢ়োৱাৰ সময়ত শিক্ষকে যথেষ্ট উদাহৰণৰ সৈতে বিশেষ্য পদৰ বিষয়ে বুজাই ক'ব।

# পাঠ- ৬

## সৰ্বনাম পদ




বলেন এজন ল’ৰা।
তেওঁ প্ৰথম শ্ৰেণীত পঢ়ে।




সৰলা এজনী ছোৱালী।
তাই তৃতীয় শ্ৰেণীত পঢ়ে।



কনক আৰু বলেন দুয়ো বন্ধু।
সিহঁতে বল খেলে।



পৰেশ মোৰ সহপাঠী।
আমি কিতাপ পঢ়ি ভাল পাওঁ।



এইজন  দিলীপ মেধি।
তেখেত আমাৰ প্ৰধান শিক্ষক।



মই  হাবিব মেনন।
মই গীত গাই ভাল পাওঁ।

# অনুশীলনী

## ক. ভাষা সম্পৰ্কীয় ঃ

*ৰাম এজন ল’ৰা।*
*<u>তেওঁ</u> প্ৰথম শ্ৰেণীত পঢ়ে।*

ওপৰৰ বাক্য দুটাৰ দ্বিতীয় বাক্যত থকা ‘তেওঁ’ শব্দই প্ৰথম বাক্যত থকা ৰামক বুজাইছে। অৰ্থাৎ ‘তেওঁ’ শব্দটি ৰাম (বিশেষ্য) পদৰ সলনি ব্যৱহাৰ কৰা হৈছে। এনেদৰে বিশেষ্য পদৰ সলনি যি পদ ব্যৱহাৰ কৰা হয়, তাকে **সৰ্বনাম** বোলে। কিছুমান সৰ্বনাম পদ হ’লঃ *মই, তেওঁ, তাই, তুমি, সিহঁত, তেখেত, তই, সি* ইত্যাদি।

এতিয়া পাঠটিত ব্যৱহাৰ হোৱা সৰ্বনাম পদবোৰ বাছি উলিওৱা।

## খ. বিষয়-বস্তু সম্পৰ্কীয় ঃ

১। পাঠটিৰ পৰা সৰ্বনাম পদ ব্যৱহাৰ কৰি খালী ঠাইবোৰ পূৰণ কৰা।

(ক) বলেন এজন ল’ৰা। .............. প্ৰথম শ্ৰেণীত পঢ়ে।
(খ) এইজন দিলীপ মেধি। ............... আমাৰ প্ৰধান শিক্ষক।
(গ) কনক আৰু বলেন দুয়ো বন্ধু। ............ বল খেলে।
(ঘ) সৰলা এজনী ছোৱালী। ............. তৃতীয় শ্ৰেণীত পঢ়ে।
(ঙ) মোৰ নাম হাবিব মেনন। ........... গীত গাই ভাল পাওঁ।


২। বিশেষ্য আৰু সৰ্বনাম পদবোৰ বাছি উলিওৱা।

কমলা, তাই, ৰাজেন, সিহঁত, নলবাৰী, তেখেত, তুমি, হীৰা, সাধুতা, মই, হাউলী, টেবিল, তই, জাহাজ, আলমিৰা।

**শিক্ষকলৈ টোকা ঃ** পাঠটি পঢ়োৱাৰ সময়ত শিক্ষকে যথেষ্ট উদাহৰণৰ সৈতে সৰ্বনাম পদৰ ব্যৱহাৰৰ বিষয়ে বুজাই ক’ব।

# পাঠ- ৭

## ক্ৰিয়া পদ



ফৰহাদে কল খায়।
হৰেনে গাড়ী চলায়।



ৰাণীয়ে কিতাপ পঢ়ে।
লিলিমাই ছবি আঁকে।



ৰামহঁতে বল খেলে।
সুজিতাই গান গাই আছে।



চৰাইটো আকাশত উৰি আছে।
কমলে চিলা উৰুৱাইছে।



বাবুল আৰু ৰুমী স্কুললৈ গৈ আছে।
ৰাতুল শুই আছে।



কৰিমে চিঠি লিখি আছে।
নয়নে দৌৰি আছে।

# অনুশীলনী

## ক. ভাষা সম্পৰ্কীয় ঃ

*ফৰহাদে কল খায়।*

উক্ত বাক্যটোত 'খায়' শব্দটোৱে ফৰহাদে আম খোৱা কাৰ্যটো বুজাইছে। এনেদৰে যি পদে কোনো কাম কৰা বা হোৱা বুজায়, তাকে **ক্ৰিয়া** বোলে। কিছুমান ক্ৰিয়াপদ হ'ল ঃ অহা, যোৱা, খোৱা, দিয়া, লোৱা, কৰা, গোৱা, বোৱা, সজোৱা, দৌৰা, বহা, উঠা, ইত্যাদি।

এতিয়া পাঠটিত ব্যৱহাৰ হোৱা ক্ৰিয়া পদবোৰ বাছি উলিওৱা।

## খ. বিষয়-বস্তু সম্পৰ্কীয় ঃ

১। পাঠটিৰ পৰা ক্ৰিয়া পদ ব্যৱহাৰ কৰি খালী ঠাইবোৰ পূৰণ কৰা।

(ক) ৰাতুল .............. আছে।

(খ) ৰুমী স্কুললৈ .............. আছে।

(গ) কমলে চিলা .......................।

(ঘ) ৰাণীয়ে কিতাপ ..................।

(ঙ) লিলিমাই ছবি ......................।

২। তলৰ বাক্যবোৰত থকা ক্ৰিয়াপদবোৰ বাছি উলিওৱাঃ

(ক) অমলে অংক কৰিছে।

(খ) বিমলে ছবি আঁকে।

(গ) সিহঁতে ফুটবল খেলে।

(ঘ) ডেভিডে গাড়ী চলাইছে।

(ঙ) গীতাই ৰামায়ণ পঢ়িছে।

শিক্ষকলৈ টোকা ঃ পাঠটি পঢ়োৱাৰ সময়ত শিক্ষকে উদাহৰণৰ সৈতে ক্ৰিয়াপদৰ ব্যৱহাৰৰ বিষয়ে বুজাই ক'ব।

# পাঠ- ৮

# আমাৰ গাওঁ (পদ্য)

অ’ আমাৰ শুৱনি গাওঁ
তোমাক ভাল পাওঁ,
তোমাৰ বকুতে জনম লভি
তোমাৰ হাৱা-পানী খাওঁ।



তোমাৰ পথাৰত নানাবিধ শস্য
লহপহকৈ বাঢ়ে,
তোমাৰ ঘাহঁনিত ফুটুকী হৰিণাই
অভয়ে বিচৰণ কৰে।

তোমাৰ বিৰিখত বহাগী কুলিয়ে
শুৱলা সংগীত গায়,
তোমাৰ সমান শুৱনি গাওঁ
ক’তো পাবলৈ নাই।



তোমাৰ বুকুতে লভিলো জনম
তোমাৰ বুকুতে যেন মৰো,
তোমাৰ বুকুতে পুনঃপুনঃ যেন
মানবী জনম ধৰোঁ।

# মূল্যায়ন-২

## দ্বিতীয় গোট পৰীক্ষা
## প্ৰথম শ্ৰেণী
## বিষয় ঃ অসমীয়া

**মুঠ নম্বৰঃ ২৫** **সময়ঃ ১ ঘন্টা**

১। বিশেষ্য পদ ব্যৱহাৰ কৰি খালী ঠাই পূৰণ কৰা। ৫

(ক) ............ এজনী ছোৱালী।

(খ) ...................... এখন গাওঁৰ নাম।

(গ) ................. এখন ধৰ্মগ্ৰন্থ।

(ঘ) কমল এজন ................।

(ঙ) .......... এবিধ বহুমূলীয়া ধাতু।

২। সৰ্বনাম পদ ব্যৱহাৰ কৰি খালী ঠাইবোৰ পূৰণ কৰা। ৩

(ক) বলেন এজন ল'ৰা। ............. প্ৰথম শ্ৰেণীত পঢ়ে।

(খ) এইজন দিলীপ মেধি। ............... আমাৰ প্ৰধান শিক্ষক।

(গ) কনক আৰু বলেন দুয়ো বন্ধু। ............ বল খেলে।

৩। তলত দিয়া বিশেষ্য আৰু সৰ্বনাম পদবোৰ বাছি উলিয়াই এক তালিকা প্ৰস্তুত কৰা। ৫

তাই, ৰাজেন, সিহঁত, তুমি, হীৰা, সাধুতা, মই, তই, জাহাজ, আলমিৰা।

৪। পাঠটিৰ পৰা ক্ৰিয়া পদ ব্যৱহাৰ কৰি খালী ঠাইবোৰ পূৰণ কৰা। ৫

(ক) ৰাতুল ............. আছে।

(খ) ৰুমী স্কুললৈ ............. আছে।

(গ) কমলে চিলা ......................।

(ঘ) ৰাণীয়ে কিতাপ .................।

(ঙ) লিলিমাই ছবি .....................।

৪। তলৰ বাকচত দিয়া আখৰ কেইটা ব্যৱহাৰ কৰি খালী ঠাই পূৰণ কৰা (যিকোনো দুটা)। ২

| লি, গ, প, |
|---|

বহা..... কু..... কিতা ....

৫। 'আমাৰ গাওঁ' পদ্যটো স্মৃতিৰ পৰা আবৃত্তি কৰা। ৫

(শিক্ষকে এজন এজনকৈ আবৃতি কৰিবলৈ দিব।)

**শিক্ষকলৈ টোকা ঃ** ওপৰত দিয়া প্ৰশ্ন কাকতখন চৰম নহয়। ইয়াক অকল এক আৰ্হি হিচাপেহে দেখুওৱা হৈছে। শিক্ষকে নিজৰ মতে প্ৰশ্নকাকত প্ৰস্তুত কৰিব।

গোট-৩


## পাঠ- ৯

# বিশেষণ পদ

এইটো এটা নীলা বল।
বলটো ফৰিদৰ।
ফৰিদ এজন ভাল ল'ৰা।
সি বল খেলি ভাল পায়।



সৌজনী গাইগৰু।
তাইৰ ৰং ৰঙা।
গাইজনী পথাৰত চৰি আছে।



ৰাম আৰু মৃগেন ভাল বন্ধু।
ৰাম চুটি আৰু মৃগেন ক্ষীণ।
মৃগেনে প্ৰতিদিন এক লিটাৰকৈ গাখীৰ খায়।



আমাৰ গাওঁখনৰ নাম তেতেলীপুৰ।
গাওঁখন বৰ ডাঙৰ।
গাওঁখনত প্ৰচুৰ পৰিমাণে ধান উৎপাদন হয়।
গাওঁৰ মানুহবোৰ বৰ সৰল।



# অনুশীলনী

## ক. ভাষা সম্পৰ্কীয় ঃ

*এইটো এটা বল। বলটো নীলা। ফৰিদ এজন ভাল ল'ৰা।*

ওপৰৰ বাক্য তিনিটাত থকা 'এটা', 'নীলা' আৰু 'ভাল' শব্দবোৰে ক্ৰমে সংখ্যা, অৱস্থা, গুণ আদি প্ৰকাশ কৰিছে। এনেদৰে যি পদে কোনো বস্তু বা প্ৰাণীৰ সংখ্যা, গুণ, দোষ, অৱস্থা, পৰিমাণ আদি বুজায়, তাকে **বিশেষণ** বোলে। কিছুমান বিশেষণ পদ হ'ল ঃ এটা, দুটা, বগা, সেউজীয়া, দুষ্ট, ভাল, ক্ষীণ, পাতল, বহুত, যথেষ্ঠ, সাধু, কৃপণ, দয়ালু ইত্যাদি।

এতিয়া পাঠটিত ব্যৱহাৰ হোৱা বিশেষণ পদবোৰ বাছি উলিওৱা।

## খ. বিষয়-বস্তু সম্পৰ্কীয় ঃ

১। পাঠটিৰ পৰা বিশেষণ পদ ব্যৱহাৰ কৰি খালী ঠাইবোৰ পূৰণ কৰা।

(ক) গাইজনী ...........।

(খ) ফৰিদ এজন ............... ল'ৰা।

(গ) গাওঁখন বৰ ..............।

(ঘ) মৃগেন ..................।

(ঙ) গাওঁখনৰ মানুহবোৰ বৰ......................।

২। উত্তৰ দিয়াঃ

(ক) বলটোৰ ৰং কি ?

(খ) ফৰিদ কেনেকুৱা ল'ৰা ?

(গ) মৃগেনে প্ৰতিদিন কিমান পৰিমাণৰ গাখীৰ খায় ?।

শিক্ষকলৈ টোকা ঃ পাঠটি পঢ়োৱাৰ সময়ত শিক্ষকে উদাহৰণৰ সৈতে বিশেষণ পদৰ ব্যৱহাৰৰ বিষয়ে বুজাই ক'ব।

# পাঠ- ১০

## সংযোজক অব্যয়





এইজন এৰশাদ।
সৌজন ছাহিল।
এৰশাদ আৰু ছাহিল দুয়ো ভাল ছাত্র।



সবিতা আৰু গীতালি দুজনী বান্ধৱী।
সবিতাই গীত গায় কিন্তু নাচিব নোৱাৰে।
গীতালী ভাল খেলুৱৈ যদিও পঢ়া-শুনাত বেয়া।



সৌজন ৰাজেন হাজাৰি।
তেওঁ দুখীয়া অথচ সাধু।
তেওঁ জ্বৰত ভুগি আছে তথাপি সভালৈ যাব।

হামিদ ৰাজেনৰ বাল্যবন্ধু।
তেওঁ সভালৈ নাযাব কাৰণ তেওঁ বজাৰলৈ গৈছে।



ৰহমান অথবা ৰহিম ইয়ালৈ আহা।
আমি হকি খেলিম বা নদীত সাতুঁৰিম।

# অনুশীলনী

## ক. ভাষা সম্পৰ্কীয় ঃ

*সবিতা আৰু গীতালি দুজনী বান্ধৱী। ৰাজেন দুখীয়া অথচ তেওঁ সুখী।*

ওপৰৰ প্ৰথম বাক্যটোত থকা 'আৰু' শব্দই সবিতা আৰু গীতালি বিশেষ্য দুটাক সংযোগ কৰিছে। দ্বিতীয় বাক্যটোত 'অথচ' শব্দই দুটা বাক্যক সংযোগ কৰিছে। এনেদৰে যি পদে দুটা বা তাতকৈ বেছি পদ বা বাক্যক সংযোগ কৰে, তাকে **সংযোজক অব্যয়** বোলে। কিছুমান সংযোজক অব্যয় হ'ল ঃ আৰু, কিন্তু, অথবা, বা, যদিও, কাৰণে, কাৰণ, তথাপি ইত্যাদি।

এতিয়া পাঠটিত ব্যৱহাৰ হোৱা সংযোজক অব্যয়পদবোৰ বাছি উলিওৱা।

## খ. বিষয়-বস্তু সম্পৰ্কীয় ঃ

১। পাঠটিৰ পৰা সংযোজক অব্যয় পদ ব্যৱহাৰ কৰি খালী ঠাইবোৰ পূৰণ কৰা।

(ক) সবিতা .......... গীতালি দুয়োজনী বান্ধৱী।
(খ) সবিতাই গীত গায় .......... নাচিব নোৱাৰে।
(গ) ৰহমান ............. ৰহিম ইয়ালৈ আহা।
(ঘ) আমি হকি খেলিম .............. নদীত সাতুঁৰিম।
(ঙ) গীতালি ভাল খেলুৱৈ ................. পঢ়াশুনাত বেয়া।

২। উত্তৰ দিয়াঃ

(ক) ৰাজেন হাজাৰি কেনেকুৱা ?
(খ) হামিদে কিয় সভালৈ নাযাব ?
(গ) গীতালি পঢ়া-শুনাত কেনেকুৱা ?।

শিক্ষকলৈ টোকা ঃ পাঠটি পঢ়োৱাৰ সময়ত শিক্ষকে উদাহৰণৰ সৈতে সংযোজক অব্যয় পদৰ ব্যৱহাৰৰ বিষয়ে বুজাই ক'ব।

# পাঠ- ১১

# ক্ৰিয়া বিশেষণ



মই সৰলা ।
মই বেগাই দৌৰিব পাৰোঁ।



সৌজনী মামণি।
তাই ৰাতিপুৱা সোনকালে টোপনিৰ পৰা উঠে।
এইজনী নিমাতি বাইদেউ।
তেখেতে আমাক ভালকৈ পঢ়ায়।



এইজন দীপ শৰ্মা।
তেখেতে জোৰে জোৰে কথা কয়।
অনিল তেখেতৰ পুতেক।
তেওঁ পোন হৈ বহি আছে।





ৰাফেল অনিলৰ বন্ধু।
তেওঁ লাহে লাহে খোজ কাঢ়ে।
নীলিমাই সুন্দৰকৈ ছবি আঁকে।



হাবিল মোৰ সহপাঠী।
তেওঁ বেয়াকৈ আঘাত পাইছে।

# অনুশীলনী

## ক. ভাষা সম্পৰ্কীয় ঃ

*নীলিমাই সুন্দৰকৈ ছবি আঁকে।*

উপৰি উক্ত বাক্যটোত 'সুন্দৰকৈ' পদটোৱে নীলিমাই ছবি অকাঁৰ ধৰণ, গুণ বা অৱস্থা প্ৰকাশ কৰিছে। এনেদৰে যি পদে কোনো ক্ৰিয়া (কাম) ৰ ধৰণ, গুণ বা অৱস্থা প্ৰকাশ কৰে, তাকে **ক্ৰিয়া বিশেষণ** বোলে। যেনেঃ লাহে লাহে, সোনকালে, খৰকৈ, ডাঙৰকৈ, জোৰে জোৰে ইত্যাদি।

এতিয়া পাঠটিত ব্যৱহাৰ হোৱা ক্ৰিয়া বিশেষণ পদবোৰ বাছি উলিওৱা।

## খ. বিষয়-বস্তু সম্পৰ্কীয় ঃ

১। পাঠটিৰ পৰা ক্ৰিয়া বিশেষণ পদ ব্যৱহাৰ কৰি খালী ঠাইবোৰ পূৰণ কৰা।

(ক) সৰলাই ................ দৌৰে।
(খ) মামণি ................ টোপনিৰ পৰা উঠে।
(গ) দীপ শৰ্মাই .................. কথা কয়।
(ঘ) অনিল .............. বহি আছে।
(ঙ) হাবিলে ..................... আঘাত পাইছে।

২। উত্তৰ দিয়াঃ

(ক) নিমাতি বাইদেৱে কেনেদৰে পঢ়ায় ?
(খ) অনিল কেনেদৰে বহি আছে?
(গ) নীলিমাই কেনেদৰে ছবি আঁকে ?

শিক্ষকলৈ টোকা ঃ পাঠটি পঢ়োৱাৰ সময়ত শিক্ষকে উদাহৰণৰ সৈতে ক্ৰিয়া বিশেষণ পদৰ ব্যৱহাৰৰ বিষয়ে বুজাই ক'ব।

# পাঠ- ১২

## সপ্তাহৰ দিনবোৰ

সপ্তাহৰ প্ৰথম দিন
হয় ৰবিবাৰ,
ৰবিবাৰক কিছুমানে
কয় দেওবাৰ।
ৰবিবাৰৰ পিছদিনা
হয় সোমবাৰ,
সোমবাৰ গচকি
আহে মঙ্গলবাৰ।
মঙ্গলবাৰৰ পিছত
আহে বুধবাৰ
এই দিনত হয়
সাপ্তাহিক বজাৰ।
বৃহস্পতিবাৰ হয় গুৰুবাৰ
চাৰসকলে কয়,
শুক্ৰবাৰত মছজিদত
নামাজ পঢ়া হয়।
সপ্তাহৰ শেষ দিন
শনিবাৰ হয়,
এনেদৰে সপ্তাহত
সাতদিন হয়।

# মূল্যায়ন-৩

## তৃতীয় গোট পৰীক্ষা
## প্ৰথম শ্ৰেণী
## বিষয় ঃ অসমীয়া

**মুঠ নম্বৰঃ ২৫** **সময়ঃ ১ ঘন্টা**

১। বাকচৰ পৰা উপযুক্ত বিশেষণ পদ ব্যৱহাৰ কৰি খালী ঠাইবোৰ পূৰণ কৰা। ৫

| ক্ষীণ, সৰল, ডাঙৰ, ভাল, ৰঙা |
|---|

(ক) গাইজনী ...........।
(খ) ফৰিদ এজন .............. ল'ৰা।
(গ) গাওঁখন বৰ .............।
(ঘ) মৃগেন .................।
(ঙ) গাওঁখনৰ মানুহবোৰ বৰ.....................।

২। বাকচৰ পৰা উপযুক্ত সংযোজক অব্যয় পদ ব্যৱহাৰ কৰি খালী ঠাইবোৰ পূৰণ কৰা। ৫

| কিন্তু, আৰু, অথবা, যদিও, বা |
|---|

(ক) সবিতা .......... গীতালি দুয়োজনী বান্ধৱী।
(খ) সবিতাই গীত গায় .......... নাচিব নোৱাৰে।
(গ) ৰহমান ............ ৰহিম ইয়ালৈ আহা।
(ঘ) আমি হকি খেলিম ............. নদীত সাতুঁৰিম।
(ঙ) গীতালি ভাল খেলুৱৈ ................ পঢ়াশুনাত বেয়া।

৩। বন্ধনীৰ ভিতৰৰ পৰা উপযুক্ত ক্ৰিয়া বিশেষণ পদ ব্যৱহাৰ কৰি খালী ঠাইবোৰ পূৰণ কৰা। ৫
(ক) সৰলাই ................ দৌৰে। (সোনকালে / বেগাই)
(খ) মামণি ................ টোপনিৰ পৰা উঠে। (লাহে লাহে / সোনকালে)
(গ) দীপ শৰ্মাই .................. কথা কয়। (জোৰে জোৰে / লাহে লাহে)
(ঘ) অনিল .............. বহি আছে। (আঁউজি / পোনহৈ)
(ঙ) হাবিলে ..................... আঘাত পাইছে। (ভালকৈ / বেয়াকৈ)

৫। উত্তৰ দিয়াঃ ৩
(ক) বলটোৰ ৰং কি?
(গ) সপ্তাহৰ শেষ দিনটো কি বাৰ হয়।
(গ) নীলিমাই কেনেদৰে ছবি আঁকে?

৫। 'আমাৰ গাওঁ' পদ্যটো স্মৃতিৰ পৰা আবৃত্তি কৰা। ৭
(শিক্ষকে এজন এজনকৈ আবৃতি কৰিবলৈ দিব।)

গোট-৪

## পাঠ- ১৩

# কথোপকথন

এজন ব্যক্তি ঃ হে ল'ৰা, এইফালে আহাচোন।
বিনয় ঃ মোক মাতিছে, ছাৰ?
এজন ব্যক্তি ঃ হয়, তোমাৰ নাম কি?
বিনয় ঃ মোৰ নাম বিনয়।
এজন ব্যক্তি ঃ তোমাৰ বিদ্যালয়খনৰ নাম কি?
বিনয় ঃ আমাৰ বিদ্যালয়খনৰ নাম ৰেবেকা একাডেমী।
এজন ব্যক্তি ঃ তুমি কোন শ্ৰেণীত পঢ়া?
বিনয় ঃ মই প্ৰথম শ্ৰেণীত পঢ়োঁ।
এজন ব্যক্তি ঃ তুমি লিখা-পঢ়া কৰোতে ব্যৱহাৰ কৰা পাঁচোটা বস্তুৰ নাম ক'ব পাৰিবানে?
বিনয় ঃ নিশ্চয় পাৰিম। আমি লিখা-পঢ়া কৰোঁতে বহুত বস্তু ব্যৱহাৰ কৰোঁ। ইয়াৰে পাঁচবিধ বস্তু হ'ল - কিতাপ, বহী, ফলি, কলম আৰু পেঞ্চিল।
এজন ব্যক্তি ঃ ধন্যবাদ।
বিনয় ঃ ধন্যবাদ। ছাৰ, আপুনি?
এজন ব্যক্তি ঃ মই লীলা বৰা। তোমালোকৰ বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি।

# অনুশীলনী

## ক. ভাষা সম্পৰ্কীয় ঃ

*মই বিনয়। তুমি কোন?*

উক্ত বাক্যবোৰৰ প্ৰথম বাক্যটোৱে এক সাধাৰণ বক্তব্য দাঙি ধৰিছে। এনেদৰে সাধাৰণ বৰ্ণনা বা বক্তব্য প্ৰকাশ কৰা বাক্যৰ শেষত **দাৰি চিন (।)** ব্যৱহাৰ কৰা হয়। বাক্যৰ শেষত এই চিন থাকিলে দুটা আখৰ উচ্চাৰণ কৰোতে যিমান সময় লাগে সিমান সময় বিৰতি ল'ব লাগে। দ্বিতীয় বাক্যটোৰ জৰিয়তে কোনো প্ৰশ্ন সোধা হৈছে। এনেদৰে প্ৰশ্ন সোধা বাক্যৰ শেষত **প্ৰশ্নবোধক চিন (?)** ব্যৱহাৰ কৰা হয়।

এতিয়া পাঠটোত কেইটা প্ৰশ্নবোধক বাক্য আছে গণনা কৰা।

## খ. বিষয়-বস্তু সম্পৰ্কীয় ঃ

১। তলত দিয়া বাক্য কেইটা প্ৰশ্নবোধক বাক্যলৈ ৰূপান্তৰ কৰা। প্ৰথমটো তোমাৰ বাবে কৰি দিয়া হৈছে।

*(ক) মই ৰহিম।*

*তুমি ৰহিম নে? বা তুমি কোন?*

(খ) মই প্ৰথম শ্ৰেণীত পঢ়োঁ।

(গ) সি বজাৰলৈ যায়।

(ঘ) অনিলে গাখীৰ ভাল পায়।

(ঙ) বাঘ হাবিত থাকে।

২। উত্তৰ দিয়াঃ

(ক) বিনয়ে পঢ়া বিদ্যালয়খনৰ নাম কি?

(খ) লীলা বৰা কোন?

**শিক্ষকলৈ টোকা ঃ** শিক্ষকে দাৰি চিন (।) আৰু প্ৰশ্নবোধক চিন (?) ৰ ব্যৱহাৰৰ বিষয়ে যথেষ্ট উদাহৰণৰ সৈতে বুজাই দিব।

# পাঠ- ১৪

## বিসৰ্গ (ঃ) ৰ ব্যৱহাৰ




আঃ কেঁচুৱাজন ইমান মৰমলগাঙ্গ
উঃ ইমান গৰম।

বাঃ বাঃ কি আনন্দঙ্গ আমি খেলত জিকিলোঁ।
যাঃ যাঃ লেতেৰা কুকুৰটো লৈ যা।



ছিঃ ছিঃ তুমি ইমান নীচঙ্গ
হাঃ হাঃ মই আহিলোঁ।
ইঃ ইঃ সি দুঃখ পালে।

দুঃখিত, নবীন অসফল হ'ল।
নিঃসন্দেহে ৰাম এজন সাধু ল'ৰা।
মেকুৰীজনী শুই নিঃপালী দিলে।



ল'ৰাজন কি দুঃসাহসীঙ্গ
ছোৱালীহঁতে টেঙাবোৰ খাই নিঃশেষ কৰিলে।
উঃ উঃ সি বাগৰি পৰিল।

# অনুশীলনী

## ক. ভাষা সম্পৰ্কীয় ঃ

*উঃ ইমান গৰম।*
*বাঃ বাঃ কি আনন্দঙ্গ*
*ছিঃ ছিঃ তুমি ইমান নীচঙ্গ*

ওপৰৰ বাক্যবোৰত ব্যৱহাৰ হোৱা *উঃ, বাঃ বাঃ, ছিঃ ছিঃ* শব্দবোৰে ক্ৰমে মনৰ আবেগ বা উচ্ছ্বাস যেনেঃ অসন্তুষ্টি, আনন্দ, ঘৃণা আদি প্ৰকাশ কৰিছে। এনেদৰে মনৰ আবেগ উচ্ছ্বাস প্ৰকাশ কৰিবলৈ কিছুমান শব্দৰ পিছত বিসৰ্গ (ঃ) বহুওৱা হয়। এনে আবেগকি শব্দ কিছুমান হ'ল ঃ আঃ, উঃ, বাঃ বাঃ, যাঃ যাঃ, ছিঃ ছিঃ, হাঃ হাঃ, ইঃ ইঃ ইত্যাদি।

এতিয়া বিসৰ্গ (ঃ) ব্যৱহাৰ হোৱা কিছুমান আবেগিক শব্দ ব্যৱহাৰ কৰি তিনিটামান বাক্য সজা।

## খ. বিষয়-বস্তু সম্পৰ্কীয় ঃ

১। বিসৰ্গযুক্ত আবেগিক শব্দ ব্যৱহাৰ কৰি তলৰ খালীঠাইবোৰ পূৰণ কৰা।

(ক) ................. সি বাগৰি পৰিলঙ্গ
(খ) ............ তুমি এয়া কি কৰিলাঙ্গ
(গ) ............... আমি জিকিলোঁ।

১। উত্তৰ দিয়া।

(ক) কোনে অসফল হ'ল?
(খ) কোনে টেঙাবোৰ খাই নিঃশেষ কৰিলে?
(গ) ল'ৰাজন কেনেকুৱা?

**শিক্ষকলৈ টোকা ঃ** শিক্ষকে পাঠটি পঢ়োৱাৰ সময়ত যথেষ্ট উদাহৰণৰ সৈতে বিসৰ্গযুক্ত শব্দ ব্যৱহাৰৰ বিষয়ে বুজাই ক'ব।

# পাঠ- ১৫

## অসম



এইখন অসমৰ মানচিত্ৰ। অসম ভাৰতৰ এখন অংগৰাজ্য। এসময়ত আহোমসকলে ৰাজ্যখন শাসন কৰিছিল। তেওঁলোকৰ সময়ৰ পৰা দেশখনৰ নাম 'অসম' হয়। আহোমসকলৰ প্ৰথম ৰজাজনৰ নাম আছিল চাওলুং চুকাফা। তেওঁ ১২২৮ চনত চৰাইদেউত ৰাজধানী পাতি আহোম ৰাজত্বৰ পাতনি মেলিছিল। এই ৰাজবংশই প্ৰায় ছশ বছৰ দেশখন শাসন কৰিছিল। আহোম ৰাজবংশৰ শ্ৰেষ্ঠ ৰজাজনৰ নাম আছিল ৰুদ্ৰ সিংহ। তেওঁ জয় সাগৰ আৰু জয়দৌল নিৰ্মাণ কৰিছিল।

## অনুশীলনী

১। উত্তৰ দিয়া।

(ক) প্ৰথম আহোম ৰজাজনৰ নাম কি আছিল?

(খ) আহোমসকলে ক'ত প্ৰথমে ৰাজধানী পাতিছিল?

(গ) আহোম ৰাজবংশৰ শ্ৰেষ্ঠ ৰজাজনৰ নাম কি আছিল?

(ঘ) জয়সাগৰ আৰু জয়দৌল কোনে নিৰ্মাণ কৰিছিল?

২। সঁচানে মিছা কোৱা।


(ক) আহোমসকলে ছশ বছৰ অসমখন শাসন কৰিছিল।

(খ) আহোমসকলে ১২২৬ চনত চৰাইদেউত ৰাজধানী পাতিছিল।

(গ) চুকাফা আহোমসকৰ শ্ৰেষ্ঠ ৰজা আছিল।

# পাঠ- ১৬

# পখিলা



ৰঙা নীলা হালধীয়া
সৰু পখিলাই
কণ কণ পাখি মাৰি
উৰি উৰি যায়।
কোৱাচোন পখিলাটি
ক'তনো তোমাৰ ঘৰ
ক'ত আছে ভাই-ভনী
অতি মৰমৰ।
তোমাৰ লগত বাৰু
নিবানে আমাক
নাচি নাচি আকাশত
পাতিবলৈ জাক ?

--- *যতিনাৰায়ণ শৰ্মা*

# মূল্যায়ন-৪

**চতুৰ্থ গোট পৰীক্ষা**
**প্ৰথম শ্ৰেণী**
**বিষয় ঃ অসমীয়া**

**মুঠ নম্বৰঃ ২৫** **সময়ঃ ১ ঘন্টা**

১। বিসৰ্গযুক্ত আবেগিক শব্দ প্ৰয়োগ কৰি তলৰ খালী ঠাইবোৰ পূৰণ কৰা। ৩
((ক) ................ সি বাগৰি পৰিলঙ্গ
(খ) ............ তুমি এয়া কি কৰিলাঙ্গ
(গ) ........... আমি জিকিলোঁ।

২। তলত দিয়া বাক্য কেইটা প্ৰশ্নবোধক বাক্যলৈ ৰূপান্তৰ কৰা। ২
*(ক) মই ৰহিম।*
(খ) মই প্ৰথম শ্ৰেণীত পঢ়ো।

৩। উত্তৰ দিয়া। ৭
(ক) বিনয়ে পঢ়া বিদ্যালয়খনৰ নাম কি?
(খ) লীলা বৰা কোন?
(গ ) কোনে অসফল হ'ল?
(ঘ ) প্ৰথম আহোম ৰজাজনৰ নাম কি আছিল?
(ঙ) আহোমসকলে ক'ত প্ৰথমে ৰাজধানী পাতিছিল?
(চ) আহোম ৰাজবংশৰ শ্ৰেষ্ঠ ৰজাজনৰ নাম কি আছিল?
(ছ) জয়সাগৰ আৰু জয়দৌল কোনে নিৰ্মাণ কৰিছিল?

৩। সঁচানে মিছা কোৰা। ৩
(ক) আহোমসকলে ছশ বছৰ অসমখন শাসন কৰিছিল।
(খ) আহোমসকলে ১২২৬ চনত চৰাইদেউত ৰাজধানী পাতিছিল।
(গ) চুকাফা আহোমসকলৰ শ্ৰেষ্ঠ ৰজা আছিল।

৫। 'আমৰ গাওঁ' পদ্যটো স্মৃতিৰ পৰা আবৃত্তি কৰা। ৫
৫। তিনিশাৰী হাতৰ আখৰ লিখা। ৫

# আমি সকলোৱে ভাৰতীয়।